নিৰ্ভীক, নিৰপেক্ষ
অসমীয়া খবৰ
দ্বাদশ বছৰ, সংখ্যা ৬৩
১৩ জানুৱাৰী, শুকুৰবাৰ, ২০২৩

## সাহিত্যইহে একোটা জাতিৰ প্ৰকৃত পৰিচয় বহন কৰে ঃ ড° বিনোদ বড়া

# ডিব্ৰুগড় সাহিত্য সভাৰ দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশন

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১২ জানুৱাৰী ঃ 'সাহিত্য জাতিৰ এক দাপোণ। সাহিত্যইহে একোটা জাতিৰ প্ৰকৃত পৰিচয় বহন কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ কৰ্মপন্থাই এতিয়া এক মাইলৰ খুঁটি হিচাপে বিবেচিত হোৱাৰ পথত। ইতিহাস বিজড়িত এই সাহিত্য সভাই বিগত সময়ছোৱাত কলা, সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰত বহু গঠনমূলক কাম কৰি আহিছে। এনেস্থলত এই সাহিত্য সভাৰ সৈতে জড়িত সকলো বিষয়ববীয়া প্ৰশংসা আৰু ধন্যবাদৰ পাত্ৰ' বুলি কয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুটীয়া শৈক্ষিক পঞ্জীয়ক লেখক ড° বিনোদ বড়াই। অসম সাহিত্য সভাৰ শাখা তথা ১২৮ বছৰ গৰকা ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়া, উপ-সভাপতি বিভাস দুৱৰা, সম্পাদক ৰাতুল গোহাঁই, সহকাৰী সম্পাদক যাদৱ গগৈ দুবছৰীয়া কাৰ্যকালৰ বাবে নিৰ্বাচিত হোৱাৰ পাছত ডিব্ৰুগড় সাহিত্য সভাৰ পূৰ্ণাংগ দ্বি-বাৰ্ষিক অধিবেশনৰ লগত সংগতি ৰাখি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা মুকলি সভাত মুখ্য বক্তাৰূপে উপস্থিত থকা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ড° বিনোদ বড়াই কয় যে এটা জাতি জীয়াই থাকিবলৈ হ'লে ভাষাটো জীয়াই ৰাখিবই লাগিব। ভাষাৰ অবিহনে এটা জাতি চিৰযুগমীয়া হ'ব নোৱাৰে। সেয়ে সকলোৱে নিজ মাতৃভাষাক কেতিয়াও হেয়জ্ঞান কৰা অনুচিত। ডিব্ৰুগড় সাহিত্য সভাই নিজ কৰ্মৰাজিৰে ৰাজ্যৰ লগতে দেশৰ ভিতৰত এক লেখত ল'বলগীয়া সভা হিচাপে পৰিচিত হৈ বিশ্বৰ বুকুত জিলিকি উঠাৰ কামনা কৰে বিনোদ বড়াই। মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি সম্পাদক ৰাতুল গোহাঁয়ে কয় যে ডিব্ৰুগড় সাহিত্য সভাই বিগত কাৰ্যকালত ৪ খন মহাদেশৰ লগতে বিশ্বৰ ৪০ খন দেশৰ সাহিত্য ক্ষেত্ৰৰ লগতে কলা, সংস্কৃতি, ভাষা আৰু সাহিত্যৰ সৈতে জড়িত স্বনামধন্য পণ্ডিত প্ৰবৰ ব্যক্তিৰ সৈতে ইন্টাৰনেটৰ মাধ্যমত বহু আন্তৰ্জাতিক আলোচনাচক্ৰ হোৱা বুলি অৱগত কৰে। লগতে সম্পাদক গোহাঁইয়ে কয় যে ১২৮ বছৰ গৰকা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাক বিশ্বৰ বুকুত জিলিকাবলৈ সকলো প্ৰকাৰৰ প্ৰচেষ্টা চলাব। সভাৰ আৰম্ভণিতে ডিব্ৰুগড় সাহিত্য সভাৰ ছয় কাৰ্যকালৰ সম্পাদকৰ পদ অলংকৃত কৰা প্ৰয়াত থানেশ্বৰ বৰাৰ সোঁৱৰণত তথা বিধায়কৰ আনটাইড পুঁজিৰে এটা অতিথিশালা নিৰ্মাণ কৰি বিধায়ক প্ৰশান্ত ফুকনে ৰাইজৰ বাবে মুকলি কৰে। পৰৱৰ্তী পৰ্যায়ত এই অতিথি শালাটো যুৱ ব্যৱসায়ী, সমাজকৰ্মী তথা প্ৰয়াত থানেশ্বৰ বৰাৰ সুযোগ্য পুত্ৰ কিশোৰ বৰাই এটা অত্যাধুনিক শীত-তাপ নিয়ন্ত্ৰিত অতিথিশালালৈ ৰূপান্তৰ কৰাৰ পৰিকল্পনাৰ বিষয়েও অৱগত কৰে। বিগত কাৰ্যকালৰ এক চমু বিৱৰণী দাঙি ধৰাৰ পাছত উপ-সভাপতি বিভাস দুৱৰাই আদৰণী ভাষণত কয় যে সাহিত্যই হৈছে একোটা জাতিৰ প্ৰাণ আৰু ভৱিষ্যত। সাহিত্যই একো একোটা জাতিৰ দাপোন স্বৰূপ। একো একোজন মানুহৰ মনৰ ভাৱ বা অনুভূতি লিখিত বা মৌখিকভাৱে প্ৰকাশ কৰিব পৰাটোৱেই হৈছে সাহিত্য। এখন সাহিত্য ক্ষেত্ৰ জীয়াই ৰাখিবলৈ হ'লে সাহিত্যিকৰ লগতে বহুসংখ্যক সাহিত্যকৰ্মী বা অনুৰাগীৰ প্ৰয়োজন। সেয়ে সকলো শ্ৰেণীৰ লোককে সাহিত্য ক্ষেত্ৰখনৰ সৈতে জড়িত হ'বলৈ দুৱৰাই আহ্বান জনায়। মুকলি সভা উদ্বোধন কৰি বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰাই ভাষণ প্ৰসংগত ৰাজ্যৰ শিক্ষা বিভাগে পাঠ্যপুথিৰ পৰা কেইবাটাও বিষয় কৰ্তন কৰাত যথেষ্ট উদ্বেগ প্ৰকাশ কৰি কয় যে নিজ মাতৃভাষাক হেয়জ্ঞান কৰা মানেই নিজ জন্মদাতৃক হেয়জ্ঞান কৰা। সেয়ে অসমীয়া ভাষাটো সৰলীকৰণ কৰি বহু বৰ্ণ নাইকিয়া কৰিলে ভৱিষ্যতে অসমীয়া ভাষাটোৱেই বিলীন হৈ যাব। এনেক্ষেত্ৰত অসম সাহিত্য সভাক সচেতন আৰু সচেষ্ট হ'বলৈকো আহ্বান জনায়। অধিৱেশন উপলক্ষে ডিব্ৰুগড় সাহিত্য সভাই উৎপলা দাসৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা পত্ৰিকাখন উন্মোচন কৰি অসম চৰকাৰৰ পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই ডিব্ৰুগড় সাহিত্য সভাৰ কৰ্মৰ প্ৰশংসা কৰি কয় যে এই সাহিত্য সভাৰ বাকৰিৰ পৰাই ভালেকেইগৰাকী নমস্য ব্যক্তিয়ে অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰিছে। তেনে এখন সভাৰ অধিৱেশনত উপস্থিত থাকিবলৈ পাই সঁচাকৈয়ে গৌৰৱবোধ কৰিছোঁ। অসমীয়া সাহিত্য-ভাষা, সংস্কৃতিৰ হকে সাহিত্য সভাই কৰি যোৱা নিৰন্তৰ কৰ্মৰাজিয়ে যাতে বিশ্বৰ বুকুত যুগমীয়া হোৱাৰ কামনা কৰে অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই। ইতিমধ্যে এই প্ৰচেষ্টা ডিব্ৰুগড় সাহিত্য সভাই চলাই যোৱা বুলি উল্লেখ কৰে। জিলা সাহিত্য সভাৰ সভাপতি ইন্দ্ৰ গগৈ বিশিষ্ট অতিথিৰূপে উপস্থিত থকা মুকলি সভাত সাহিত্যিক পেঞ্চনাৰ তথা লেখিকা, প্ৰাক্তন অধ্যাপিকা, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী ড° ভাৰতী দত্তক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। ইফালে উক্ত পূৰ্ণাংগ দ্বি-বাৰ্ষিক অধিৱেশনৰ কাৰ্যসূচী অনুযায়ী পুৱা সভাপতি ড° শশীকান্ত শইকীয়াই পতাকা উত্তোলন কৰাৰ পাছত বন্তি প্ৰজ্বলন কৰে উপ-সভাপতি বিভাস দুৱৰাই আৰু সম্পাদক ৰাতুল গোহাঁইয়ে স্মৃতি তৰ্পণ কৰে। ইয়াৰ পাছতে স্থানীয় বিধায়ক প্ৰশান্ত ফুকনে আনটাইড পুঁজিৰে নিৰ্মাণ কৰা থানেশ্বৰ বৰা সোঁৱৰণী অতিথিশালাটো উদ্বোধন কৰাৰ পাছত ড° ঋণুমা শৰ্মাই সাহিত্য সভাৰ চৌহদত বৃক্ষৰোপণ কৰাৰ পাছতে লেখিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ড° কৰবী ডেকা হাজৰিকাৰ সঞ্চালনাত কবি সন্মিলন অনুষ্ঠিত হয়। প্ৰাক্তন অধ্যাপিকা তথা লেখিকা ড° কৰবী ডেকা হাজৰিকাই ডিব্ৰুগড় সাহিত্য সভাৰ পূৰ্ণাংগ দ্বি-বাৰ্ষিক অধিৱেশনৰ উপলক্ষে ডিব্ৰুগড় সাহিত্য সভাৰ ৰূপকোঁৱৰ প্ৰেক্ষাগৃহত আয়োজিত কবি সন্মিলনৰ অনুষ্ঠানত সঞ্চালনা কৰি অভিভূত হৈ কবি সকলো সাহিত্যৰ এক প্ৰাণ বুলি অভিহিত কৰি আয়োজকসকলক এনে ধাৰা বৰ্তাই ৰাখিবলৈ অনুৰোধ জনায়। আকাশ উপ-সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা কবি সন্মিলন অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ শতাধিক কবিয়ে অংশ গ্ৰহণ কৰে। আনহাতে দ্বি-বাৰ্ষিক অধিৱেশনৰ মুকলি সভাৰ বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানত সখীয়া নামৰ মহিলা অনুষ্ঠানটোৱে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীত পৰিৱেশন কৰাৰ লগতে ভুৱন গগৈ আৰু ৰুবী গগৈ সন্দিকৈৰ পৰিচালনাত নৃত্যাংগনা কলা কেন্দ্ৰৰ ছাত্ৰীসকলে টাই নৃত্যৰ লগতে এটি জনগোষ্ঠীয় নৃত্য পৰিৱেশন কৰে। আনহাতে জিতেন দাসৰ পৰিচালনাত ডিবৰু বিহুৱা দলৰ মহিলাসকলে হুঁচৰি পৰিৱেশন কৰি মোহাচ্ছন্ন কৰে। জুলি দত্তৰ নেতৃত্বত অগ্ৰগামী নামৰ দলে পৰিৱেশন কৰা দিহানামে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ পূৰ্ণাংগ অধিৱেশনৰ কাৰ্যসূচীসমূহত স্থানীয় লোকসকলৰ লগতে শিক্ষাৰ্থীসকল উপস্থিত থকাৰ উপৰি সহায়-সহযোগিতা আগবঢ়োৱাত সাফল্যমণ্ডিত হোৱা বুলি বিভিন্নগৰাকীয়ে মন্তব্য কৰে। সকলোকে সমিতিয়ে ধন্যবাদ জ্ঞাপন কৰিছে আৰু ভৱিষ্যতেও সহযোগিতা কামনা কৰিছে।